Regional News Unit
All India Radio, Guwahati
0000000000

Date : 18-09-2024
Time : 0755 Hrs.

*Assamese Morning Bulletin*
***00000***

অসমত চলিত বৰ্ষত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি পুনৰ নিৰ্ধাৰিত পাঁচটা সমষ্টিৰ খচৰা প্ৰকাশ কৰা হয়। বৰপেটা জিলা পৰিষদৰ কাৰ্যালয়ত মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ পাঠকে জিলাখনৰ পঞ্চায়তৰ পুনৰ নিৰ্ধাৰিত সমষ্টিৰ খচৰা প্ৰকাশ কৰে। এই অনুসৰি জিলাখনৰ বৰপেটা, মন্দিয়া, চেঙা, সৰভোগ, ভৱানীপুৰ আৰু পাকা বেতবাৰী বিধানসভা সমষ্টি সামৰি নতুন সীমা নিৰ্ধাৰণ কৰা হৈছে যদিও আঞ্চলিক পঞ্চায়তৰ সংখ্যা পূৰ্বৰ দৰে ৯ খনতে সীমাবদ্ধ আছে। একেদৰে জিলা পৰিষদ ১৯ খন আৰু গাঁও পৰিষদৰ ১০২ খন। মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে কয় যে অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ইয়াৰ পূৰ্বে আজিৰ পৰা ২০ ছেপ্তেম্বৰলৈ খচৰাৰ ওপৰত শুনানি গ্ৰহণ কৰা হ'ব।

সমষ্টিৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনা মৰ্মে প্ৰস্তুত কৰা সচৰা অনুসৰি শোণিতপুৰ জিলাৰ উন্নয়নখণ্ডৰ সংখ্যা পূৰ্বৰ ৭খনৰ ঠাইত ৮খন, গাঁও পঞ্চায়তৰ সংখ্যা ৮২ খনৰ ঠাই ৮৮ খন হৈছে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনাৰ লগত সংযোগ ঘটাই খচৰা প্ৰকাশৰ পাছৰ কামখিনি চলাই নিবৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে। এই অনুসৰি আজিৰ পৰা অহা ২০ ছেপ্তেম্বৰলৈকে জিলা আয়ুক্তৰ কাৰ্যালয়ত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ আবেদন গ্ৰহণ কৰা হ'ব। কাইলৈ এই সন্দৰ্ভত সকলো স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ সৈতে  আলোচনা অনুষ্ঠিত হ'ব। অহা ২২ ছেপ্তেম্বৰত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ পৰা পোৱা অভাৱ অভিযোগ আদিৰ আবেদনসমূহৰ পৰ্যালোচনা আৰু শুনানিৰ দিন ধাৰ্য কৰা হৈছে। শুনানি গ্ৰহণৰ পাছত প্ৰয়োজনীয় সংশোধনী আদি কৰি অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব বুলি জিলাৰ আয়ুক্তই সংবাদমেল যোগে জানিবলৈ দিছে। উল্লেখযোগ্য যে সীমা নিৰ্ধাৰণৰ খচৰাৰ প্ৰতিলিপি পঞ্চায়ত কাৰ্যালয়, ব্লক কাৰ্যালয় আৰু চক্ৰবিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট সকলোৰে পঢ়িব পৰাকৈ উপলভ্য কৰা হ'ব বুলি জানিব পৰা গৈছে।

চৰাইদেউ জিলাতো ২০০১ চনৰ লোকপিয়লৰ ওপৰত ভিত্তি কৰি জিলাখনৰ অন্তৰ্গত গাঁও পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ নিৰ্ধাৰণৰ খচৰা প্ৰকাশ কৰা হয়। প্ৰয়োজনীয় সাল-সলনিৰ পাছত পূৰ্বৰ দৰেই জিলাখনৰ জিলা পৰিষদ সমষ্টিৰ সংখ্যা ৭ খন, গাঁও পঞ্চায়ত সংখ্যা ৩৬ খন, ৱাৰ্ডৰ সংখ্যা ৩৬০ আৰু লোকপিয়ল গাঁৱৰ সংখ্যা ৩২৭ খন হৈছে। পুনৰ নিৰ্ধাৰণৰ খচৰা সন্দৰ্ভত কোনো ওজৰ আপত্তি থাকিলে অহা পৰহিৰ ভিতৰত জিলা পুনৰ নিৰ্ধাৰণ আয়োগক অৱগত কৰিব পাৰিব বুলি জিলাখনৰ আয়ুক্তই এখন সংবাদমেল যোগে জানিবলৈ দিছে।

বঙাইগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ অধীনৰ গাঁও পঞ্চায়তসমূহৰ সীমা নিৰ্ধাৰণৰ খচৰা তালিকা সম্পৰ্কে কালি বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰে। বঙাইগাঁও জিলা আয়ুক্ত ধ্ৰুৱজ্যোতি দাসে ১২ টা জিলা পৰিষদৰ সমষ্টি, ৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৬৫ খন গাঁও পঞ্চায়ত সামৰি পঞ্চায়তৰ সীমা পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি উল্লেখ কৰে। খচৰা সম্পৰ্কে আজিৰেপৰা ২০ ছেপ্তেম্বৰলৈ আবেদন গ্ৰহণ কৰা হ'ব। লগতে ২২ ছেপ্তেম্বৰৰ পৰা ২৫ ছেপ্তেম্বৰলৈ খচৰা তালিকা সম্পৰ্কে ওজৰ-আপত্তি আৰু পৰামৰ্শ গ্ৰহণ কৰা হ'ব। ২৭ ছেপ্তেম্বৰত পঞ্চায়তৰ সীমা নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি জিলা আয়ুক্তই প্ৰকাশ কৰে।

0000000

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি অতিৰিক্ত আয়ুক্ত কোকিলা গগৈয়ে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আৰু এন এফ এছ্ এক্টৰ অধীনৰ হিতাধিকাৰীসকলৰ নতুনকৈ ৰেচন কাৰ্ড লাভ কৰা কাৰ্যসূচী সম্বন্ধে এখন সংবাদমেল আয়োজন কৰে। কাইলৈ দিনৰ ১১ বজাত কেন্দ্ৰীয়ভাৱে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আৰু এন এফ এছ এক্টৰ হিতাধিকাৰীয়ে লাভ কৰা ৰেচন কাৰ্ডৰ কেন্দ্ৰীয়ভাৱে উদ্বোধন কৰিব। অসমৰ ১২৬ টা বিধানসভা সমষ্টিতে একে সময়তে অনুষ্ঠানটোৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব। লখিমপুৰ বিধানসভা সমষ্টিৰ বগীনদীত ১০ হাজাৰ, নাওবৈচা সমষ্টিৰ পানীগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ৫ হাজাৰ আৰু বিহপুৰীয়া বিধানসভা সমষ্টিৰ বাবে নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত ৫ হাজাৰ লোকৰ উপস্থিতি আশা কৰা হৈছে বুলি অতিৰিক্ত আয়ুক্তই প্ৰকাশ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালি  দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ অংশ হিচাপে মৰিগাঁও জিলাৰ জাগীৰোডৰ ধৰমতুলত গছপুলি ৰোপণৰ কাৰ্যসূচী লোৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ উদ্যোগত ধৰমতুলৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা অমৃত সৰোবৰৰ দুয়োপাৰে ঘাইপথ প্ৰাধিকৰণে মুঠ ৫০০ জোপা গছৰ পুলি ৰোপণ কৰে। অমৃত

বৃক্ষ আন্দোলনৰ অংশ হিচাপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে জনসাধাৰণক নিজৰ মাতৃৰ নামত একোটিকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে কালি কৰিমগঞ্জ জিলাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বিধায়ক বিজয় মালাকৰে অংশগ্ৰহণ কৰে।

oooooooo

**সমাপ্ত**